৩ পৃষ্ঠাত ৪ পৃষ্ঠাত

বাণী
লোকৰ
তকৈ
ভাল।
জৰত মহম্মদ

# অসম আদিত্য

RNI REG
Portal
e-mail

২৭৬ ■ ২৬ আহিন, ১৯৪৭ শক ■ সোমবাৰ, ১৩ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, October 13, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প

### কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ কলেজ শিক্ষা কেন্দ্ৰৰ নৱাগত সমাৰোহত অধ্যক্ষ ড° শইকীয়া

# শিক্ষা আহৰণৰ বেলিকা নাথাকে বয়সৰ প্ৰাচীৰ

**ষ্টাফ ৰিপৰ্টাৰ, ১২ অক্টোবৰ ঃ** কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) কেন্দ্ৰৰ উদ্যোগত ২০২৫-২৬ বৰ্ষত নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এখনি শিক্ষাৰ্থী সমাৰোহ আজি অনুষ্ঠিত হয়। কেন্দ্ৰটিৰ সমন্বয়ক ড০ বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই মত প্ৰকাশ কৰে যে 'শিক্ষা আহৰণৰ কোনো বয়স বা প্ৰাচীৰ নাথাকে'। বৰ্তমান সময়ত ৰাষ্ট্ৰীয় শিক্ষানীতি২০২০ ৰ অধীনত নতুনকৈ আৰম্ভ হোৱা শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত মুক্ত বিশ্ববিদ্যালয়ৰ ধাৰণাটোৱে এক



নতুন মাত্ৰা আহৰণ কৰিছে। যাৰ জৰিয়তে একে সময়তে দুটা পাঠ্যক্ৰমত নামভৰ্তি কৰি কৃতকাৰ্যতাৰে নিজৰ শিক্ষা সমাপন কৰাৰ সুবিধা বৰ্তমানৰ শিক্ষা ব্যৱস্থাই গঢ়ি তুলিছে। ভাষণ প্ৰসংগত তেখেতে মতপোষণ কৰে যে মুক্ত বিশ্ববিদ্যালয় অথবা আন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ গুণগত মানদণ্ড কোনো গুণে কম হ'ব নোৱাৰে কাৰণ শিক্ষা ব্যৱস্থাই সকলোকে শিক্ষাগ্ৰহণ কৰিব পৰাকৈ সুবিধা প্ৰদান কৰিছে, য'ত কেৱল মাত্ৰ শিক্ষাৰ্থীৰ আত্মবিশ্বাস আৰু সময় গুৰুত্বপূৰ্ণ। ইতিহাসৰ পাতত এনে বহুতো লোকৰ উদাহৰণ আছে যিয়ে দূৰ শিক্ষা মাধ্যমেৰে শিক্ষাগ্ৰহণ কৰি পৰৱৰ্তী সময়ত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। সেয়ে নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক পূৰ্ণ উদ্যমেৰে তেওঁলোকক শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। কানৈ মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা কেন্দ্ৰটিৰ প্ৰাক্তন সমন্বয়ক ড০ প্ৰিয়দেৱ গোস্বামীয়ে তেওঁৰ ভাষণ প্ৰসংগত আহৰণ কৰা অভিজ্ঞতাৰ বিষয়ে ব্যক্ত কৰি সকলোকে কোনো ধৰণৰ হীনমান্যতা নোহোৱাকৈ উচিত শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে তেওঁ মত পোষণ কৰে যে তেওঁৰ কাৰ্যকালত কেইবাগৰাকী অৱসৰপ্ৰাপ্তলোকে তেওঁলোকৰ আকাংক্ষিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সকলোকে অনুপ্ৰাণিত কৰিছিল। অনুষ্ঠানত নিমন্ত্ৰিত অতিথিসকলৰ লগতে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলি, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ইংৰাজী বিভাগৰ অধ্যাপিকা ড০ হানিফা ৰহমান, ডিব্ৰুগড়স্থিত লাহোৱাল পলিটেকনিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰনৱজ্যোতি লহকৰৰ লগতে কেন্দ্ৰটিৰ স'তে জড়িত কাউঞ্চিলৰ শিক্ষাতত্ব বিভাগৰ ৰশ্মি শৰ্মা, দৰ্শন বিভাগৰ নিলোফাৰ ৰহমান, যোগ অধ্যয়নৰ ৰশ্মিৰেখা বুঢ়াগোহাঁইকে ধৰি নতুনকৈ নামভৰ্তি কৰা প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। জাতীয় সংগীতেৰে সামৰণী হোৱা অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে কেন্দ্ৰটিৰ সমন্বয়ক ড০ বিৰাজ দত্তই।